**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-MAY-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
------------------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ৬৬গৰাকী বিশিষ্ট ব্যক্তিক আজি পদ্ম বঁটা প্ৰদান।

২। বিধানসভাৰ অধিৱেশনৰ আজি তৃতীয় দিনা সদনত ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰ শুনানি।

৪। ঈদ-উজ-জোহাৰ পৰিপ্ৰেক্ষিতত ২৮ মে'ত হ'বলগীয়া চি ইউ ই টি – ইউ জি পৰীক্ষা স্থগিত।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশাৰ এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে দেলহি কেপিটেলছৰ ৪০ ৰানত জয়লাভ।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত ৬৬গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰিব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। শ্ৰীমতী মুৰ্মুৱে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্ৰী বঁটা প্ৰদান কৰিব।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ জন লোকক পদ্ম বিভূষণ, ১৩ জনক পদ্ম ভূষণ আৰু ১১৩ জন লোকক পদ্মশ্ৰী বঁটাকে মুঠ ১৩১ জন লোকলৈ পদ্ম বঁটা ঘোষণা কৰা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত পদ্ম বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, অসামৰিক সেৱাকে ধৰি বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লোকসকলৰ সন্মানাৰ্থে এই বঁটা প্ৰদান কৰা হয়।

অসমৰ সত্ৰীয়া সংস্কৃতিৰ সাধক হৰিচৰণ শইকীয়াক আজি পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হ'ব। ভাৰতৰ অন্যতম ধ্ৰুপদী কলাস্বৰূপ সত্ৰীয়া সংস্কৃতিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়াই অহা অৱদানৰ বাবে তেওঁক এই সন্মান প্ৰদান কৰা হ'ব।

oooooo

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা হ'ব। বিধানসভাত আজি 'নাৰী বন্দন' বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। কাইলৈ উমৈহতীয়া দেৱানীবিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হ'ব। ২৭ মে'ত বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

oooooo

বিৰোধী দলপতি বাছনি কৰা উদ্দেশ্যে কালি কংগ্ৰেছৰ পৰ্যবেক্ষক ভূপেশ বাঘেলৰ উপস্থিতিত কালি গুৱাহাটীত বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হয়। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ উপস্থিত থকা এই বৈঠকত শ্ৰী বাঘেলাই বিধায়কসকলৰ পৰা দলপতি বাছনি কৰাৰ ক্ষেত্ৰত মতামত গ্ৰহণ কৰে। শ্ৰী বাঘেলে কয়, যে বিধায়কসকলৰ মতামতৰ ভিত্তিত প্ৰতিবাদ যুগুত কৰা হ'ব আৰু এই প্ৰতিবেদন দলৰ হাই কমাণ্ডক অৰ্পণ কৰা হ'ব। হাই কমাণ্ডৰ অনুমোদনমৰ্মেহে অখিল ভাৰতীয় কংগ্ৰেছ সমিতিয়ে ৰাজ্যৰ বিৰোধী দলপতিৰ নাম ঘোষণা কৰিব বুলি শ্ৰী বাঘেলে সাংবাদিকৰ আগত জানিবলৈ দিয়ে।

বাইট

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰশুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ বিৰোধিতাৰে যুক্তি প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে যোৱা ২২ মে'ত অনুষ্ঠিত শুনানিত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। শুনানিকালত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অসম চৰকাৰে নিযুক্তি প্ৰদান কৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰো উপস্থিত থাকিব।

০০০০০০

বড়ো সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকৰ নেতৃত্বৰ এটা প্ৰতিনিধি দলে কালি দিছপুৰৰ পুৰণি বিধানসভা ভৱনত বি পি এফৰ বিধায়কসকলক সাক্ষাৎ কৰে। প্ৰতিনিধি দলটোৱে বড়ো ভাষা সাহিত্যৰ বিকাশ আৰু উন্নয়ন সন্দৰ্ভত তেওঁলোকৰ মতামত অৱগত কৰে। আলোচনা কালত মন্ত্ৰী চৰণ বড়ো উপস্থিত আছিল। বৈঠকত বড়ো মাধ্যমৰ শিক্ষাৰ্থীসকলৰ বাবে পাঠ্যপুথিৰ বিতৰণতপলম হোৱা, বড়ো মাধ্যমৰ বিদ্যালয়সমূহত খালী থকা শিক্ষকৰ পদ পূৰণ তথা অপ্ৰাদেশিকৃত বিদ্যালয়সমূহৰ প্ৰাদেশীকিকৰণ আদিকে ধৰি বড়ো মাধ্যমৰ শিক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভ বিতংভাৱে আলোচনা কৰা হয়। প্ৰতিনিদি দলটোৱে অসম লোকসেৱা আয়োগ আৰু অসম ন্যায়িক সেৱা পৰীক্ষাত অসমীয়া আৰু ইংৰাজীৰ লগতে বড়ো ভাষা অন্তৰ্ভুক্ত কৰিবলৈও দাবী উত্থাপন কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ মে'ত আকাশবাণী যোগে প্ৰচাৰিত **মন কী বাত** অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে ট'লফ্ৰী নম্বৰ ১৮০০-১১-৭৮০০ ত ফোন কৰি তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছকল দি লাভ কৰা এছ এম এছ লিংকত ক্লিক কৰিও প্ৰধানমন্ত্ৰীলৈ প্ৰত্যক্ষভাৱে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। মন কী বাতৰ এই খণ্ডৰ বাবে ২৯ মে'লৈকে মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০০

অহা ২৮ মে'ত হ'বলগীয়া স্নাতক মহলাৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা CUET UG স্থগিত ৰখা হৈছে। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA ই ঈদ উজ জোহাৰ বন্ধৰ দিন সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত এই কথা ঘোষণা কৰে। সংশোধিত পৰীক্ষাৰ দিন শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। শেহতীয়া তথ্যৰ বাবে নিয়মিতভাৱে সংস্থাৰ ৱেবচাইট চাই থাকিবলৈ ছাত্ৰ ছাত্ৰী সকলক পৰামৰ্শ দিয়া হৈছে। যিকোনো তথ্যৰ বাবে ছাত্ৰ ছাত্ৰীসকলে

NTAৰ হেল্পলাইন নম্বৰ 011- 40759000 অথবা cuet-uginta.ac.in ত যোগাযোগ কৰিব পাৰিব।

০০০০০০

বিগত দুসপ্তাহত চতুৰ্থ বাৰৰ বাবে পেট্ৰ'ল আৰু ডিজেলৰ মূল্য পুনৰ বৃদ্ধি পাইছে। এই অনুসৰি পেট্ৰ'লৰ মূল্য প্ৰতি লিটাৰত দুটকা ৬১ পইচা আৰু ডিজেলৰ মূল্য প্ৰতি লিটাৰত দুটকা ৭১ পইচা বৃদ্ধি পাইছে। এই সংশোধিত মূল্যৰ ফলত বৰ্তমান ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১০২ টকা ১২ পইচা আৰু ডিজেলৰ মূল্য ৯৫ টকা ২০ পইচা হৈছে।

০০০০০০

অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত HIVত আক্ৰান্ত লোকৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। ২০২৪-২৫ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ভিতৰত অসমত সৰ্বাধিক ২৬ হাজাৰ ১০৯ জন লোক HIVত আক্ৰান্ত হয়। আনহাতে, ছিকিমত সৰ্বনিম্ন ৪৪৬ জন লোক এই ৰোগত আক্ৰান্ত হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ তথ্যত প্ৰকাশ পোৱা মতে অসমত ২০২০-২১ বৰ্ষত HIVত আক্ৰান্ত লোকৰ সংখ্যা আছিল ১১ হাজাৰ ৩৬৪। তেতিয়াৰেপৰা বৰ্তমানলৈ এই ভাইৰাছত আক্ৰান্ত লোকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। মন্ত্ৰালয়ে জনোৱা মতে চৰকাৰে AIDS আৰু যৌন সংক্ৰমিত ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত HIVত আক্ৰান্ত সকলো লোকৰ বাবে বিনামূলীয়াকৈ Antiretroviral Therapy ত প্ৰদান কৰি আহিছে।

০০০০০০

চিৰাং জিলাৰ চিদলী-চিৰাং উন্নয়ন খণ্ডৰ অন্তৰ্গত আশ্ৰাবাৰী ভি চি ডি চি আৰু শ্যামথাইবাৰী ভি চি ডি চিৰ বৈৰাথি সামূহিক ভৱনৰ উপৰি বৰোবজাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত পাণবাৰী ভি চি ডি চিৰ বৰগাঁৱত কালি জনজাতীয় গৌৰৱ উৎসৱ অধীনত জন ভাগিদাৰী অভিযান সফলতাৰে ৰূপায়ণ কৰা হয়। এই অভিযানৰ বিষয়বস্তু হৈছে **সবচে দূৰ, সবচে পেহলে** কাৰ্যসূচীত জন শুনানি আৰু চিকিৎসা শিবিৰৰো আয়োজন কৰা হয়। এই জনসম্পৰ্ক কাৰ্যসূচীৰ সময়ত খণ্ড উন্নয়ন বিষয়া, সংশ্লিষ্ট বিভাগৰ বিষয়া আৰু ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মীসকলে স্থানীয় ৰাইজৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰি বিভিন্ন চৰকাৰী আঁচনি আৰু কল্যাণমূলক পদক্ষেপৰ বিষয়ে তথ্য প্ৰচাৰ কৰে।

০০০০০০

ৰাজ্যৰ অন্যতম ক্ৰীড়া সংস্থা- ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সপ্তম কাৰ্যনিৰ্বাহক সভা কালি সৰ্বানন্দ সোণোৱাল ক্ৰীড়া কমপ্লেক্স জালান আউটড'ৰ ষ্টেডিয়ামৰ চি কি শৰ্মা সভাকক্ষত অনুষ্ঠিত হয়। এই সভাত জিলাখনত ক্ৰীড়া উন্নয়ন আৰু সন্থাৰ ভৱিষ্যত কাৰ্যকলাপৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। এই সভাতে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই চলিত বৰ্ষৰ হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা খেলুৱৈ শিক্ষাৰ্থীসকলক অভিনন্দন জনায় আৰু শৈক্ষিক তথা ক্ৰীড়া উৎকৃষ্টতাৰ সৈতে ভাৰসাম্য বজাই ৰখাৰ ক্ষেত্ৰত তেওঁলোকৰ নিষ্ঠাক স্বীকৃতি দিয়ে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্‌জত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

ডিব্ৰুগড় আৰু ছাবুৱা অঞ্চলত আজি ঘৰুৱা আৰু বাণিজ্যিক ৰন্ধন গেছৰ যোগান বন্ধ থাকিব বুলি অসম গেছ কোম্পানীয়ে এখন জাননীৰ জৰিয়তে প্ৰকাশ কৰিছে। আজি পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ ৰন্ধন গেছৰ যোগান বন্ধ থাকিব বুলি কোম্পানীয়ে জাননী জাৰি কৰিছে।

০০০০০০

দৰং জিলাৰ মুক্তি যুঁজাৰু সন্মিলনৰ ত্ৰিবাৰ্ষিক অধিৱেশন কালি দিনজোৰা কাৰ্যসূচীৰে ছিপাঝাৰ বি জে বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত **বন্দে মাতৰম** সংগীত আৰু মহিলাৰ নাম পৰিৱেষন কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত মুকলি সভাত অনাগত তিনি বছৰীয়া কাৰ্যকালৰ বাবে নতুন জিলা কমিটি এখন গঠন কৰা হয়। ইয়াৰ পাছত কৃতি ছাত্ৰ-ছাত্ৰী অভিনন্দন অনুষ্ঠানত জিলাখনৰ মুক্তি যুঁজাৰু পৰিয়ালৰ ২৫ গৰাকী উত্তৰাধিকাৰীক বিগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত তেওঁলোকে দেখুওৱা কৃতকাৰ্যতাৰ বাবে অভিনন্দন জ্ঞাপন কৰা হয়।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে কলকাতা নাইট ৰাইডাৰ্ছক ৪০ ৰানত পৰাস্ত কৰে। দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৬০ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৮ অভাৰ ৪টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১৬৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহিৰ হৈ তিনিটা উইকেট দখল কৰা কুলদীপ যাদৱক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে কালি ৰাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ৩০ ৰানত পৰাস্ত কৰি প্লে অফত প্ৰৱেশ কৰে।

০০০০০০

অহা ২ আগষ্টৰপৰা অসমত দুটা পৰ্যায়ত লোকপিয়ল সম্পন্ন কৰা হ'ব আৰু ১৭ আগষ্টৰপৰা ১৫ ছেপ্টেম্বৰলৈ ঘৰে ঘৰে তথ্য পৰীক্ষা কৰা হ'ব। আজি "নিয়মীয়া বাৰ্তা" কাকতে এই সন্দৰ্ভত সবিস্তাৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক হত্যাৰ চেষ্টা চলাৰ বাতৰিটো আজি কেইবাখনো কাকতে এটি মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। "দৈনিক অসম" কাকতত বাতৰিটোৰ শিৰোনাম - *আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক হত্যাৰ চেষ্টা, হোৱাইট হাউছৰ বাহিৰত ধাৰাসাৰ গুলীবৰ্ষণ*। "অসমীয়া প্ৰতিদিন" কাকতে বাতৰিটো *ৱাশিংটনত গুলিয়াগুলি - হোৱাইট হাউছৰ কাষত বন্দুকধাৰী যুৱকক গুলীয়াই হত্যা* শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসম সন্তান ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ আইপিএল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে-অফ পৰ্যায়ত প্ৰৱেশ কৰাৰ বাতৰিটো "দৈনিক জনমভূমি" কাকতে আগস্থান দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত অসম ভৱনৰ উপৰি কেইবাটাও ৰাজ্যিক প্ৰকল্প পৰিদৰ্শন কৰাৰ বাতৰি এটা দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ তথ্যৰ ভিত্তিত উগ্ৰপন্থী সংগঠনক ধন যোগান ধৰা ঘটনাৰ সৈতে তিনিচুকীয়াৰ পৰা সাংবাদিক-ছাত্ৰনেতাকে ধৰি চাৰিজন যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ঘটনাক "অসমীয়া খবৰ", "আমাৰ অসম", "দৈনিক অগ্ৰদূত"কে ধৰি কেইবাখনো কাকতে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে।

"দা ছেণ্টিনেল" - কাকতে অসম পৰ্যটন উন্নয়ন নিগমে অভিলেখসংখ্যক মুনাফা অৰ্জন কৰাৰ ইতিবাচক বাতৰি এটা *ATDC records profit in the past 5 years* শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০০

বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত অহা ২ আগষ্টত দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ বাবে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। বিষয়াসকলক জুনৰ পৰা লোকপিয়লৰ প্ৰশিক্ষণ দিয়া হ'ব। ৰাজ্যিক লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগুৱে এই বিষয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দেশৰ অন্যান্য ঠাইসমূহত ইতিমধ্যে যোৱা এক এপ্ৰিলৰ পৰা লোকপিয়ল আৰম্ভ হৈছে। অসম, তামিলনাডু, পশ্চিমবংগ, কেৰলম আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া পলমকৈ আৰম্ভ হ'ব।

দেশৰ ষোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত  সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰ বিকল্পৰো ব্যৱস্থা কৰা হৈছে। ঘৰৰ গণনাৰ সময়ত সকলো ভৱন আৰু পৰিকাঠামোৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু বাসগৃহৰ স্থিতি, সা-সুবিধা তথা সম্পদৰ তথ্য সংগ্ৰহ কৰা হ'ব। বাসগৃহসমূহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক অনন্য পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখৰো অধিক গণনা কৰ্মী, পৰ্যবেক্ষক আৰু অন্য বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব। লোকপিয়লৰ দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। এই পৰ্যায়ত বয়স, লিংগ, বৃত্তি, সাক্ষৰতা আৰু জাতিগত সবিশেষকে ধৰি ব্যক্তিগত তথ্য আহৰণ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে লোকপিয়ল-২০২৭ৰ বাবে ১১ হাজাৰ ৭১৮ কোটিৰো অধিক টকাত অনুমোদন দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ  সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

*ঃঃ সমাপ্ত ঃঃ*